# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ভাষণ দিব।

২। উচ্চতম ন্যায়ালয়ৰ এখন ৭ জনীয়া সাংবিধানিক বিচাৰপীঠে আজি আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ সংখ্যালঘু মৰ্যাদৰ বিষয়ত ৰায়দান কৰিব।

৩। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

৪। ভাৰতৰ উদীয়মান দবা খেলুৱৈ অৰ্জুন এৰিগেইছীয়ে এফ আই ডি ই বিশ্ব দবা ৰেংকিঙত দ্বিতীয় স্থানলৈ উন্নীত হৈ ইতিহাস ৰচনা কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানত অনুষ্ঠিত হ'ব।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ভাষণ দিব। কেন্দ্ৰীয় সতৰ্কতা আয়োগে চৰ্দাৰ বল্লবভাই পেটেলৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই সপ্তাহ পালন কৰে। এইবেলি ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে সততাৰ সংস্কৃতিৰ মূলমন্ত্ৰ্যৰে ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ এই সপ্তাহ পালন কৰা হয়। সতৰ্কতা সজাগতা সপ্তাহৰ লগতে আয়োগে ১৬ আগষ্টৰ পৰা ১৫ নৱেম্বৰলৈ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযানৰ আয়োজন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰ্যালয় আৰু সংস্থাই এই অভিযানত ভাগ লৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় সতৰ্কতা আয়োগে প্ৰস্তুত কৰা ৩ খন পুস্তিকা উন্মোচন কৰা হ'ব। এই পুস্তিকাৰ উপৰি ডাক বিভাগে সতৰ্কতা, সজাগতা সপ্তাহ ২০২৪ সন্দৰ্ভত জাৰি কৰা বিশেষ কভাৰো উন্মোচন কৰিব।

00000

আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ সংখ্যালঘু মৰ্যাদাৰ বিষয়ক লৈ উচ্চতম ন্যায়ালয়ৰ সাতজনীয়া সংবিধানিক বিচাৰপীঠে আজি এক গুৰুত্বপূৰ্ণ ৰায়দান কৰিব। উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত প্ৰকাশিত তালিকা অনুসৰি আজি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বাধীন সংবিধান বিচাৰপীঠে

ৰায় ঘোষণা কৰিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত সাতজনীয়া সাংবিধানিক বিচাৰপীঠে এই গোচৰটোৰ চূড়ান্ত শুনানি গ্ৰহণ কৰি ৰায়দান সংৰক্ষিত ৰাখিছিল।

শুনানিৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ হৈ এটৰ্নী জেনেৰেল আৰ ভেংকটাৰমণি আৰু ছলিচিটৰ জেনেৰেল তুষাৰ মেহতা আৰু কেইবাগৰাকীও জ্যেষ্ঠ আইন বিষয়াই যুক্তি দৰ্শোৱাৰ পৰিবৰ্তে আবেদনকাৰীৰ হৈ জ্যেষ্ঠ অধিবক্তা ৰাজীৱ ধৱন, কপিল ছিবালে যুক্তি দৰ্শাইছিল।

**১৯৬৭** চনৰ আজিজ বাছা গোচৰত পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে কেন্দ্ৰীয় বিশ্ববিদ্যালয় হোৱাৰ বাবে আলিগড় মুছলিম বিশ্ববিদ্যালয়ে সংখ্যালঘু মৰ্যাদা লাভ কৰিব নোৱাৰে বুলি উল্লেখ কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰে **১৯৮১** চনৰ আলিগড় মুছলিম বিশ্ববিদ্যালয় (সংশোধনী) আইন অনুসৰি প্ৰতিষ্ঠানটোক সংখ্যালঘুৰ মৰ্যাদা প্ৰদান কৰিছিল । ইয়াৰ পিছৰ পৰাই এই বিষয়টোক লৈ বিতৰ্ক অব্যাহত আছে৷

০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যখনৰ ২৮৮ টা বিধানসভা সমষ্টিৰ বাবে ২০ নৱেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ধূলে আৰু নাচিকত কেইবাখনো নিৰ্বাচনী সভাত ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, তেওঁ এই নিৰ্বাচনী সভাত ৰাইজৰ আশীষ বিচাৰিব। শ্ৰীমোদীয়ে লগতে আসন্ন নিৰ্বাচনত ৰাজ্যখনৰ জনসাধাৰণে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা এন ডি এৰ প্ৰাৰ্থীসকলৰ জয় সুনিশ্চিত কৰিব বুলি আস্থা প্ৰকাশ কৰিছে।

০০০০০

এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকলে ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত সামৰি ল'বলগীয়া এলেকাসমূহত ব্যাপক প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি হাজাৰিবাগত এখন নিৰ্বাচনী সভাত ভাষণ দি ৰাজ্যখনৰ জনসাধাৰণ হেমন্ত চোৰেন নেতৃত্বাধীন চৰকাৰৰ অপশাসনক লৈ অসন্তুষ্ট হোৱা বুলি দাবী কৰে।

ইপিনে, ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেত্ৰী কল্পনা চোৰেনে খুন্তিত এখন নিৰ্বাচনী সভাত অংশ লয়। বিজেপিয়ে ঝাৰখণ্ডত ক্ষমতাত থকাৰ সময়ছোৱাত ৰাজ্যখনক পিছলৈ লৈ যোৱা বুলি তেওঁ অভিযোগ উত্থাপন কৰে। আৰ জে ডি, কংগ্ৰেছ, এ জে এছ ইউ আৰু বাও দলৰ নেতাসকলেও কালি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দলৰ হকে প্ৰচাৰ চলায়।

০০০০০

নিৰ্বাচন আয়োগে ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে মানি চলিবলৈ সকলো ৰাজনৈতিক দলৰ প্ৰতি আহ্বান জনাইছে। ৰাঁচীত কালি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হৈ ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া কে ৰবিকুমাৰে ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি ভোটদাতাসকলক বিপথে পৰিচালিত কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে নিৰ্বাচনী সভাত ব্যক্তিগত আক্ৰমণ এৰাই চলিবলৈও আহ্বান জনায়। তেওঁ কয় যে, ৰাজনৈতিক দলসমূহ নিৰ্বাচনী আচৰণ বিধি মানি চলিবলৈ বাধ্য

কিয়নো ৰাজনৈতিক দল আৰু সংশ্লিষ্ট পক্ষৰ সৈতে আলাপ আলোচনাৰ অন্তত এই আচৰণ বিধি প্ৰস্তুত কৰি উলিওৱা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি ছিংগাপুৰত অনুষ্ঠিত হ'বলগীয়া আছিয়ান ইণ্ডিয়া নেটৱৰ্ক অৱ থিংক টেংকৰ অষ্টম ঘূৰণীয়া মেজমেলত ভাষণ দিব। আছিয়ান-ভাৰত কেন্দ্ৰৰ উন্নয়নশীল দেশসমূহৰ গৱেষণা আৰু তথ্য ব্যৱস্থা আৰু ISEAS ইউছফ ইছাক প্ৰতিষ্ঠানৰ আছিয়ান অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেওঁ ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান শ্বানমুগাৰত্নম, প্ৰধানমন্ত্ৰী তথা বিত্তমন্ত্ৰী লৰেন্স ৱং, উপ-প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গান কিম ইয়ঙক সাক্ষাৎ কৰিব। ইয়াৰ উপৰিও ভ্ৰমণৰ সময়ছোৱাত তেওঁ দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী ড০ এন ইং হেন আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে ড° জয়শংকৰৰ এই ভ্ৰমণে ছিংগাপুৰ আৰু ভাৰতৰ মাজত গঢ়ি উঠা ঘনিষ্ঠ আৰু দীৰ্ঘদিনীয়া সম্পৰ্ক অধিক দৃঢ় কৰিব বুলি আশা কৰা হৈছে। নব্বৈৰ দশকৰ আৰম্ভণিতে ভাৰতে লুক ইষ্ট পলিচি আৰম্ভ কৰাৰ পৰাই ভাৰতক দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে পুনৰ সংযোগ স্থাপনৰ ক্ষেত্ৰত ছিংগাপুৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

উল্লেখযোগ্য যে, ইণ্ডোনেছিয়া, ছিংগাপুৰ, ফিলিপাইনছ, মালয়েছিয়া, ব্ৰুনেই, থাইলেণ্ড, কম্বোডিয়া, লাওছ, ম্যানমাৰ আৰু ভিয়েটনামক সামৰি এছ'চিয়েচন অৱ চাউথ-ইষ্ট এছিয়ান নেচনছ চমুকৈ আছিয়ান গঠন হৈছে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

নতুন দিল্লীত আজি ভাৰতীয় সেনাবাহিনীৰ সামৰিক ঐতিহ্য মহোৎসৱৰ দ্বিতীয় সংস্কৰণ আৰম্ভ হ'ব। দুদিনীয়া এই মহোৎসৱৰ মূল লক্ষ্য হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা, বৈদেশিক নীতি, সামৰিক ইতিহাস আৰু সামৰিক ঐতিহ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ, স্বেচ্ছাসেৱী সংস্থা, শিক্ষাবিদ, আৰু গৱেষক সকলক ইয়াৰ সৈতে জড়িত কৰোৱা।

প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহানে আন তিনিগৰাকী সেনা সেৱা মুৰব্বীৰ সৈতে এই উৎসৱ উদ্বোধন কৰিব। মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত 'শৌৰ্য্য গাথা'ৰ প্ৰকল্পও উন্মোচন কৰা হ'ব।

ভাৰতৰ সামৰিক পৰিক্ৰমা বিভাগ আৰু ভাৰতীয় ইউ এছ আইৰ উদ্যোগত শিক্ষা আৰু পৰ্যটনৰ জৰিয়তে ভাৰতৰ সামৰিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ লক্ষ্যৰে এই প্ৰকল্প গ্ৰহণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কৈছে যে, যোৱা অক্টোবৰৰ শেষ ভাগলৈ ব্ৰাজিলৰ পৰা আমদানি কৰা মাটি মাহৰ দাইলৰ পৰিমাণ ৪ হাজাৰ ১০২ মেট্ৰিক টনৰ পৰা ২২ হাজাৰ মেট্ৰিক টনলৈ বৃদ্ধি পাইছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে, শেহতীয়া কেইটামান বছৰত ব্ৰাজিলৰ মাটি মাহৰ দাইলৰ গুৰুত্বপূৰ্ণ যোগানকাৰী ৰূপে পৰিগণিত হৈছে আৰু দেশখন ভাৰতৰ মাটি মাহ আৰু ৰহৰ দাইলৰ আমদানিৰ উৎস হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰ্যালয়ে লগতে ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় গ্ৰাহক সংঘৰ মাধ্যমেৰে অসম, মেঘালয়, ত্ৰিপুৰা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহত পিয়াজ বিতৰণ কৰা বুলি প্ৰকাশ কৰিছে। এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ জনসাধাৰণৰ বাবে উচিত মূল্যত পিয়াজৰ  উপলব্ধতা সুনিশ্চিত কৰিব বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

০০০০০

ভাৰতৰ উদীয়মান দবা খেলুৱৈ অৰ্জুন এৰিগেইছীয়ে কালি চেন্নাই গ্ৰেণ্ড মাষ্টাৰ্ছ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত এলেক্সি ছাৰানাৰ বিৰুদ্ধে জয় লাভ কৰাৰ সুবাদত এফ আই ডি ই বিশ্ব দবা ৰেংকিঙত দ্বিতীয় স্থানলৈ উন্নীত হৈ ইতিহাস ৰচনা কৰিছে। ২১ বছৰীয়া খেলুৱৈগৰাকীৰ এই সাফল্যই তেওঁৰ ক্ষীপ্ৰ উত্থানক প্ৰতিফলিত কৰিছে। ছাৰানাৰ বিৰুদ্ধে লাভ কৰা জয়ে অকল অৰ্জুনৰ ৰেংকিং  উন্নত কৰাত সহায় কৰাই নহয় বৰং এই জয়ৰ সুবাদত খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ মাষ্টাৰ্ছ শিতানত অগ্ৰগতি লাভ কৰিছে। ভাৰতীয় খেলুৱৈগৰাকী বৰ্তমান তৃতীয় ৰাউণ্ডৰ পাছত ইৰাণৰ গ্ৰেণ্ড মাষ্টাৰ্ছ আমিন তবটাবাইৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। শৃংখলাৰ দ্বিতীয়খন খেল দেওবাৰে গেকেবেৰাত খেলোৱা হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। দুয়োটা দল ইয়াৰ পূৰ্বে ব্ৰীজ টাউনৰ কেছিংটন অভেলত টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেলত সন্মুখীন হৈছিল। ভাৰত এই ৰোমাঞ্চকৰ খেলখনত ৭ ৰাণত জয়ী হৈছিল। দক্ষিণ আফ্ৰিকা ভ্ৰমণ টি-টুৱেণ্টিৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৰ বাবে ভৱিষ্যতে মূল গোটত স্থান লাভৰ এটা ভাল সুযোগ ৰূপে পৰিগণিত হ'ব। ভাৰত সম্প্ৰতি আই চি চিৰ পুৰুষৰ টি-টুৱেণ্টিৰ দলীয় বাছনি তালিকাত শীৰ্ষত থকাৰ বিপৰীতে দক্ষিণ আফ্ৰিকা ষষ্ঠ স্থানত আছে।

০০০০০

**সমাপ্ত**